# শিক্ষক কৃত মূল্যায়ন পত্ৰ
## বিষয় – অসমীয়া (228)

**মুঠ নম্বৰ: 20**

টোকা :

(i) সকলো প্ৰশ্নৰে উত্তৰ বাধ্যতামূলক। প্ৰতিটো প্ৰশ্নৰ বাবে নিৰ্দ্ধাৰিত নম্বৰ প্ৰশ্নবোৰৰ কাষতে দিয়া হৈছে।

(ii) উত্তৰ বহীৰ প্ৰথম পৃষ্ঠাৰ ওপৰত আপোনাৰ নাম, নামভৰ্ত্তিৰ নম্বৰ, অধ্যয়ন কেন্দ্ৰৰ নাম আৰু বিষয় স্পষ্টকৈ উল্লেখ কৰিব।

**1. তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ ৪০-৬০ টা শব্দৰ ভিতৰত দিয়ক। ২**

ক) জাৰকালি কেতেকী ফুল ফুলাবলৈ চৰাইজনীয়ে কি কৰাৰ কথা কৈছিল ? (প্ৰথম ভাগ, গোট-১৫)

খ) নৈৰ সোঁতৰ লগত সময়ক কিয় তুলনা কৰা হয় । ( প্ৰথম ভাগ, গোট-৭)

**২। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ৪০-৬০টা শব্দৰ ভিতৰত দিয়ক। ২**

ক) নিউয়ৰ্কৰ জাতীয় চিৰিয়াখানাত লেখক হেম বৰুৱাৰ মনটো কিয় বিষণ্ণ হৈ পৰিছিল ? (প্ৰথম ভাগ, গোট-৩)

খ) অৰুণোদয় পথৰ জৰিপৰ কামত কিয় পলম হৈছে ? (প্ৰথম ভাগ, গোট - ৪)

**৩। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ৪০ - ৬০ টা শব্দত দিয়ক। ২**

ক) আমেৰিকাবাসীসকলৰ কি গুণত আইতা মুগ্ধ হৈছে ? (প্ৰথম ভাগ, গোট- ৬ )

খ) কম্পিউটাৰে পুথিভঁৰালৰ কামত কেনেধৰণে সহায় কৰে। (দ্বিতীয় ভাগ, গোট- ২৮)

**৪। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ১০০-১৫০ টা শব্দত দিয়ক ।** **৪**

ক) মানৱ অধিকাৰ সংৰক্ষণৰ বাবে প্ৰয়োজনীয় কি কি ব্যৱস্থা স্থাপন কৰিবলৈ লেখকে পৰামৰ্শ আগবঢ়াইছে। (দ্বিতীয় ভাগ,গোট - ৩১)

খ) শৰৎ কালত প্ৰকৃতিৰ বুকুত যিবোৰ পৰিৱৰ্তন দেখা দিয়ে, সেই পৰিবৰ্তনসমূহ নিজৰ ভাষাত লিখা। (দ্বিতীয় ভাগ, গোট- ৩৩)

**৫। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ১০০-১৫০ টা শব্দত দিয়ক ।** **৪**

ক) "তুলাৰামৰ অন্তৰত দেখা দিলে বংশ মৰ্যাদা আৰু পূৰ্বপুৰুষৰ স্মৃতিয়ে " এই উক্তিৰ মাজত সোমাই থকা কথাখিনি লিখা । ( দ্বিতীয় ভাগ, গোট- ১৯)

খ) তলৰ গদ্য ফাঁকিৰ পৰা এটি সাৰাংশ প্ৰস্তুত কৰা।

সিদ্ধি নহ'লে কাম এৰি দিয়া চঞ্চল মানুহৰ ৰীতি। চঞ্চল মানুহে কৰিব বুলি কাম এটা হাতত লয় আৰু জয়জয়তে তাক বৰ উৎসাহেৰে কৰে পাছে কামটো সিদ্ধ নহ'লে এৰি পেলায়। জনাই সেই কামত হাত নিদিয়ে। প্ৰতিজ্ঞা কৰি কামত লগা মানুহেহে ঘনে পতি চেষ্টা কৰে। আৰম্ভ কৰা কাম এবাৰত নিসিজিলে পুনৰায় চেষ্টা কৰাকে অধ্যৱসায় বোলে। অধ্যবসায় মনত লুকাই থকা প্ৰতিজ্ঞাৰ ফল। মনত প্ৰতিজ্ঞা থাকিলে মানুহে অধ্যৱসায়ৰ যোগেদি কামত সিদ্ধি লাভ কৰিব পাৰে। ( প্ৰথম ভাগ, গোট-১৬)

**৬। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৩৫০ টা শব্দত দিয়ক ।** **৬**

ক) তোমাৰ ওচৰৰ চৰকাৰী চিকিৎসালয়ৰ খা-খবৰ জনাই বাতৰি কাকতৰ সম্পাদকলৈ এখন চিঠি লিখা। (দ্বিতীয় ভাগ, গোট- ২৫)

খ) ভাৰতৰ স্বাধীনতা আন্দোলনত মহাত্মা গান্ধীৰ ভূমিকা সম্বন্ধে বহলাই আলোচনা কৰা । (প্ৰথম ভাগ, গোট- ১১)